

## মাটি কঁঠাল ঃ

মাটি কঁঠালক আনাৰস ৰূপেও জনা যায়। ই এবিধ ৰসাল সুস্বাদু ফল। মাটি কঁঠাল কেচাই খোৱা হয়। ইয়াৰ উপৰি ব্যঞ্জন, ৰস, জেলী আদিও ইয়াৰ পৰা প্ৰস্তুত কৰা হয়। মাটি কঁঠালত ভালেমান পুষ্টিকৰ দ্ৰব্য আছে। ইয়াৰ ভিতৰত মেংগানিজ আৰু ভিটামিন চি অন্যতম। ইয়াৰ উপৰি ই হজম শক্তিও বঢ়ায়। অৱশ্যে ইয়াত থকা কিছুমান দ্ৰব্যৰ বাবে মাটি কঁঠালে সকলোকে নুসুহে আৰু এলাৰ্জীৰ দৰে বিকাৰৰ সৃষ্টি কৰিব পাৰে। ইয়াৰ পাত দীঘল হয় আৰু পাতৰ আহবোৰ কাগজ তৈয়াৰ কৰাত আৰু সাৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি।

## মাটি কঁঠালৰ বিভিন্ন জাত ঃ

কিউ, কুইন আৰু মৌৰিটিয়াচ

**মাটি ঃ** উপযুক্ত নলা-নৰ্দমা থকাৰ লগতে অলপ পৰিমাণে এচিড থকা যিকোনো মাটিত আনাৰস বৃদ্ধি পায়।

আনাৰসৰ বৃদ্ধি- আনাৰসৰ উৎ পাদন বৃদ্ধি কৰিব পাৰি ইয়াৰ শিপাৰ পৰা ওলোৱা গজালি ৰোপন কৰি, ইয়াৰ ডালৰ অংশ কাটি আনি ৰোপন কৰি আৰু মূৰৰ অংশ ৰোপন কৰি অৱশ্যে এইখিনি ৰূৱলৈ হ'লে ইয়াৰ বয়স কমেও ৫-৬ মাহ হ'ব লাগে তাৰ পিছত ৰোৱা অংশবিলাকে ১২ মাহৰ ভিতৰলে ফুলিব ধৰে, কিন্তু মূৰৰ অংশ ৰোৱাৰ ১৯-২০ মাহৰ পিছতহে ফুল ফুলে।

**মাটি কঁঠাল ৰোৱাৰ সময় ঃ** এপ্ৰিলৰ পৰা অক্টোবৰ মাহ।

**মাটি কঁঠালৰ পৰিচৰ্য্যা ঃ** এবছৰত প্ৰায় তিনি-চাৰিবাৰ মান আনৰস গছৰ মাজত গজা ঘাহ-বন বিলাক চাফা কৰিব লাগে। হাতেৰে চাফ-চিকুণ নকৰি ৰাসায়নিক সাৰ প্ৰয়োগ কৰিও পৰিস্কাৰ কৰিব পাৰি। ডিউৰননামৰ ঔষধবিধ প্ৰথম বছৰত ব্যৱহাৰ কৰি বহুত পৰিমাণৰ ঘাহ-বন চাফ-চিকুণ কৰিব পাৰি। ঔষধবিধ আনৰাসৰ বাগানৰ মাজত থকা ঘাহ-বন বিলাকত স্প্ৰে কৰিব লাগে। ইয়াৰ কাৰণে কলা পোৰিথিনত (৫০ Micron) ব্যৱহাৰ কৰিব পাৰি।

কেতিয়াবা যদি দীঘলীয়া খৰাং বতৰ হয় সূৰ্যৰ তাপৰ পৰা যাতে ফলবিলাক বেয়া হৈ নাযায় তাৰবাবে আনাৰসৰ বাগানত দৈনন্দিন পানী দিব লাগে। সূৰ্যৰ তাপৰ পৰা ৰক্ষা পাবলৈ সাময়িকভাৱে ছাঁ পৰাৰ ব্যৱস্থা কৰিব লাগে। পূৰঠ ফলবিলাক ইয়াৰ পাতবিলাকেৰে ঢাকি দি সূযৰ্ব তাপ আৰু বিভিন্ন আক্ৰমণৰ পৰা ৰক্ষা কৰিব পাৰি।


## মাটি কঁঠালৰ খেতি ঃ

মাটি কঁঠালৰ বাবে সাধাৰণতে উষ্ণ আৰু নাতিশীতোষ্ণ জলবায়ু উপযোগী। মাটি কঁঠাল গছ ৰোৱাৰ পৰা ২০-২৪ মাহৰ ভিতৰত গুটি দৰে। ফলৰ ওপৰৰ অংশত থকা আগটো ফল ছিঙাৰ পাছত তাৰ পৰা ছিঙি ৰূলেই নতুন গছ হয়। ব্যৱসায়িকভাৱে ব্যাপক ৰূপত মাটি কঁঠালৰ খেতি কৰাৰ বাবে ইয়াৰ গুটিও ব্যৱহাৰ কৰা হয়; কিন্তু গুটিৰ পৰা হোৱা মাটি কঁঠালে পূৰ্বৰ গুণ কিছু পৰিমাণে হেৰুওৱাৰ সম্ভাৱনা থাকে। ই এবিধ গুল্ম উদ্ভিদ। ইয়াৰ গুৰিৰ পৰাও পোখা মেলি নতুন গছ গজে। এই পোখাবোৰ মূল গছৰ পৰা কাটি এৰুৱাই নতুনকৈ ৰোৱাৰ প্ৰয়োজন। অন্যথাই মূল গছৰ লগতে পোখাৰ পৰা হোৱা গছৰ ফলৰ উৎপাদনৰ নেতিবাচক প্ৰভাৱ পৰিব পাৰে।



## ৰোগ ঃ

মাটি কঁঠালৰ খেতিত বিভিন্ন ধৰণৰ ৰোগে দেখা দিব পাৰে। ইয়াৰ ভিতৰৰ মাটি কঁঠালত ফুটি পোকে সৃষ্টি কৰা ৰোগ গুৰুতৰ হ'ব পাৰে। এই ৰোগে মাটি কঁঠালৰ লগতে ইয়াৰ কোঁহবো ক্ষতিসাধন কৰে। ইয়াৰ উপৰি পিংক ৰোগ, শিপাৰ পৰা হোৱা ৰোগ আদি। মাটি কঠালৰ ক্ষতিসাধন কৰা পোকবোৰৰ ভিতৰত চৰহা, ফুতি আদি।





## কীটনাশক ঃ

মাটি কঁঠালৰ খেতি কৰিবলৈ লওঁতে প্ৰতি হেক্টৰ মাটিত ২০ কিল'গ্ৰাম কীটনাশক পানীত মিহলাই ছটিয়াব লাগে। মাটি কঁঠালত ব্যৱহাৰ কীটনাশকৰ ভিতৰত অৰ্গেনফছফেট, অৰ্গেনক্লৰিনেজ আদি।

## খেতি চপোৱা ঃ

মাটি কঁঠাল পুৰঠ হোৱাৰ পাছত ইয়াক ছিঙিব লাগে। মাটি কঁঠালবোৰ পৃথকে ৰাখিব লাগে, কিয়নো ই সহজে নষ্ট হৈ যাব পাৰে।








উদ্যান শস্য আৰু খাদ্য সংসাধন সঞ্চালকালয়ৰ
দ্বাৰা প্ৰকাশিত
খানাপাৰা, গুৱাহাটী-২২

# মাটি কঠাল



# Pineapple